# মূখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্য্যালয় :: ধেমাজী :: অসম

ন্যায়িক বিষয়া আৰু কৰ্মচাৰীসকলৰ বৈঠক তাং- ২৯/০৯/২০১৮

## কাৰ্য্যবিৱৰণী

আজি ইং ২৯/৯/২০১৮ তাৰিখে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আদেশ নং ২৪ ৰ হুকুম মতে ন্যায়িক বিষয়া আৰু কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলৰ বৈঠক মূখ্য ন্যায়িক দণ্ডাধীশৰ সভাপতিত্বত অনুষ্ঠিত হয় । কাৰ্য্যালয়ৰ মূখ্য সহায়কৰ ভাষণেৰে আৰম্ভ হোৱা বৈঠকখনিত অন্য ন্যায়িক দণ্ডাধীশসকলৰ লগতে কাৰ্য্যালয়ৰ কৰ্মচাৰীসকল উপস্থিত থাকে । তেওঁৰ বক্তব্যত কৰ্মচাৰীসকলৰ অসুবিধাসমূহৰ লগতে সুপৰামৰ্শ আগবঢ়াবলৈ জনায় ।

আৰম্ভণিতে মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ে জনায় যে যিহেতু ইতিমধ্যে যোৱা দুটামাহত তিনিজনকৈ কৰ্মচাৰীয়ে অৱসৰ গ্ৰহণ কৰিছে গতিকে কিছু বিভাগত কামৰ হেচাঁ বৃদ্ধি পাইছে। গতিকে কৰ্মচাৰী সকলক উক্ত খালী পদসমূহ পূৰণ নোহোৱালৈকে সমিলমিলেৰে কামসমূহ কৰিবলৈ জনায় । যিহেতু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা কাৰ্য্যাল্য় পৰিদৰ্শণ কৰিবলৈ আহিব গতিকে কৰ্মচাৰীসকলক কামসমূহ নিখুত আৰু নিয়াৰিকৈ কৰিবলৈ নিৰ্দেশ দিয়ে । লগতে কৰ্মচাৰীসকলক তেওঁলোকৰ অসুবিধা তথা পৰামৰ্শ আগবঢ়াবলৈ কয় ।

বেঞ্চ সহায়কসকলে চমন সময় মতে নোপোৱা সমস্যাটো উত্থাপন কৰে ।তেওঁলোকে লগতে জনায় যে, কাৰ্য্যালয়ৰ পৰা issue সময়মতে নকৰাৰ বাবে এই সমস্যাটো হৈছে বুলি উল্লেখ কৰে । ইয়াৰ উত্তৰত issue বিভাগৰ সহায়কে জনায় যে, চমনসমূহ ডাকৰ লগতে PSI ৰ জৰিয়তে পঠোৱা হয়। কেতিয়াবা PSI য়ে সঠিক ভাবে serve নকৰে, তাৰ বাবে এই সমস্যাৰ সৃষ্টি হৈছে ।

ইয়াৰ পাছতে কাৰ্য্যালয়ৰ মূখ্য সহায়কে আগবঢ়োৱা বক্তব্যত উল্লেখ কৰে যে, যিহেতু উচ্চ ন্যায়ালয়ৰ পৰা পৰিদৰ্শন কৰিব গতিকে CIS ৰ গোচৰসমূহৰ physical পৰিদৰ্শন আগতিয়াকৈ কৰিবলৈ জনায় । প্ৰতিখন বৈঠকত উল্লেখ কৰাৰদৰে প্ৰতিজন কৰ্মচাৰীয়ে প্ৰতিটো বিভাগৰ কাম শিকিবলৈ কয় । লোক আদালতৰ Fine Receipt আৰু Fine Cheque সমূহ সঠিকভাৱে পৰিচালনা কৰিবলৈ বেঞ্চ সহায়কসকলক পৰামৰ্শ দিয়ে ।

মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ৰ মন্তব্যত জামিননামা সমূহৰ সংলগ্ন সমূহ নথি-পত্ৰ ভালদৰে নিৰীক্ষণ আৰু সত্যাসত্য নিৰূপণ কৰিবলৈ জনায় । তেওঁ লগতে যিসকল কৰ্মচাৰীয়ে নতুনকৈ অন্য চাকৰিৰ নিযুক্তি পৰীক্ষাত অৱতীৰ্ণ হ'ব বিচাৰিলে বিভাগীয় অনুমোদন মৰ্মে আবেদন কৰিবলৈ নিৰ্দেশ কৰে । যাৰ জৰিয়তে তেওঁলোকে বৰ্তমানে লাভ কৰি অহা সুবিধাসমূহৰ পৰা বঞ্চিত নহ'ব । ইয়াৰ উপৰিও Criminal Rules & Order সমূহ সকলোকে ভালকৈ জানি ল'বলৈ উপদেশ দিয়ে আৰু Criminal Procedure Code ৰ Form সমূহ সংগ্ৰহ কৰিবলৈ নিৰ্দেশ কৰে ।

ইয়াৰ পাছতে জলযোগেৰে সভা ভংগ হয় ।

মূখ্য ন্যায়িক দণ্ডাধীশ
(ৰূপক ৰজক)

অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ
(অনুপ থানাল)

১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ
(মনিকা মিচং)

১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ
(নাজৰানা পাৰবিন ৰেহমান)